২। উৎপাদনশীল উপাদান হিচাপে অকল শ্ৰমকহে ধৰা হয়।

৩। উপাদানসমূহ দেশ দুখনত চলমানশীল।

৪। উৎপাদনৰ পৰিমাণৰ মাত্ৰা সমমানত অৱস্থিত।

৫। বস্তুৰ দৰ নিৰ্ধাৰণ হয় উৎপাদনৰ প্ৰকৃত ব্যয়ৰ দ্বাৰা।

৬। পূৰ্ণ নিয়োগ ব্যৱস্থা প্ৰচলিত হৈ থাকে।

## ৬.৪ : তত্ত্বটোৰ সুবিধাসমূহ (Advantage of the Theory) :

১। দক্ষতা অনুসৰি উৎপাদনত বিশেষীকৰণৰ জোৰ দিয়ে।

২। সামগ্ৰী উৎপাদনত দক্ষ হৈ উঠাৰ ফলত বিশ্বৰ বজাৰত লাভৰ পৰিমাণ ক্ৰমে বৃদ্ধি হ'ব।

৩। কৃষিপ্ৰধান দেশসমূহৰ ক্ষেত্ৰত ঔদ্যোগিক সম্প্ৰসাৰণৰ সুবিধা হয়।

৪। অতিৰিক্ত কৰ্মসংস্থান সৃষ্টি হৈ পূৰ্ণ নিয়োগ ব্যৱস্থা গঢ়ি উঠে।

৫। মুক্ত বজাৰ অৰ্থনীতি গঢ়ি উঠে। প্ৰতিযোগিতাৰ সৃষ্টি হৈ শ্ৰম আৰু সামগ্ৰীৰ গুণগত মান বৃদ্ধি হয়।

## ৬.৫ : তুলনামূলক ব্যয় তত্ত্বৰ সীমাবদ্ধতা (Limitation of Comparative Cost Theory)

: তুলনামূলক ব্যয় তত্ত্বটোৰ কিছুমান ত্ৰুটি দেখা যায়। এই ত্ৰুটি বা আলোচনাসমূহ হ'ল—

১। তত্ত্বটোৰ অভিধাৰণাবোৰ অবাস্তৱ। বস্তুৰ দাম, কেঁচা মালৰ উৎপাদন, মজুৰি আদি স্থিৰে থাকে বুলি কোৱা কথাটো বাস্তৱত শুদ্ধ নহয়।

২। অকল চাহিদাৰ দিশটো আলোচনা কৰি যোগানৰ দিশটো অৱজ্ঞা কৰা কাৰণে তত্ত্বটো অসম্পূৰ্ণ।

৩। অকল শ্ৰমতহে উৎপাদন ব্যয় হয় বুলি এই তত্ত্বটোত ধৰি লোৱা হৈছে। ভূমি, শ্ৰম, মূলধন আদিৰ গুৰুত্ব আৰু এইবোৰৰ ব্যয় হিচাপত নধৰা বাবে তত্ত্বটো অসম্পূৰ্ণ হৈছে।

৪। শ্ৰমৰ বাহিৰে আন উৎপাদনৰ চলমানশীলতা নাই বুলি কোৱা কথাটো অবিজ্ঞানসন্মত।

৫। অকল দুখন দেশৰ মাজতহে বাণিজ্যৰ সৃষ্টি নহয়। আন্তৰ্জাতিক বাণিজ্য বহুতো ৰাষ্ট্ৰৰ মাজত হ'ব পাৰে, যাক উপেক্ষা কৰা হৈছে।

৬। তত্ত্বটোত ধাৰণা কৰি লোৱা পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ সলনি একচেটিয়া বা একাধিক বজাৰহে পোৱা যায়।

৭। তুলনামূলক ব্যয় তত্ত্বই পৰিবহণ ব্যয়শূন্য বুলি ধৰি লয়। কিন্তু ই শুদ্ধ নহয়। আচলতে পৰিবহণ ব্যয় উৎপাদন ব্যয়ৰে এটা অংশ। ইয়াক হিচাপত ধৰি আমদানি আৰু ৰপ্তানিৰ আনুমানিক হাৰ নিৰ্ধাৰণ কৰিহে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ পৰিমাণ নিৰ্ধাৰণ কৰা উচিত।

## ৬.৬ : আপেক্ষিক ব্যয় তত্ত্ব বা আডাম স্মিথৰ পূৰ্ণ ব্যয়ৰ আৰ্হি (Absolute Cost Differences-Mill's Model) :

আডাম স্মিথ হ'ল প্ৰথমজন অৰ্থনীতিবিদ, যিয়ে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সৃষ্টি কিয় হয়, তাৰ কাৰণ ব্যাখ্যা কৰিছিল। এই তত্ত্বটো পূৰ্ণাংগ ব্যয়ৰ আৰ্হিৰ ওপৰত প্ৰতিষ্ঠিত। এই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বটো ডেভিদ ৰিকাৰ্ডোৱে সংশোধন কৰি পিছত তুলনামূলক ব্যয় তত্ত্ব নাম দিয়ে। এই বিশ্লেষণ মতে ভৌগোলিক শ্ৰম বিভাজনৰ ফলত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হয়। মুক্ত বাণিজ্য ব্যৱস্থাত শ্ৰমিকৰ চলমানশীলতাই সৃষ্টি কৰা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ফলত প্ৰতিখন ৰাষ্ট্ৰই



সুফল লাভ কৰে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ফলত প্ৰতিখন ৰাষ্ট্ৰই নূনতম ব্যয় উচ্চ গুণসম্পন্ন সামগ্ৰী পাব পাৰে। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ এই সংস্থাপিত সূত্ৰমতে সামগ্ৰী উৎপাদনৰ ব্যয় শ্ৰমিকৰ মাধ্যমত প্ৰকাশ কৰা হয়। উৎপাদনৰ বাবে শ্ৰমিকৰ প্ৰয়োজন। শ্ৰমিক অবিহনে উৎপাদন কাৰ্য সম্ভৱ নহয়। অৰ্থাৎ শ্ৰমিক হ'ল উৎপাদনৰ অপৰিহাৰ্য উপাদান। শ্ৰমক শ্ৰমিকৰ পৰা পৃথক কৰিব পৰা নাযায়। সেই কাৰণে শ্ৰমৰ বিনিময়ত শ্ৰমিকক মজুৰি প্ৰদান কৰা হয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সংস্থাপিত তত্ত্ব মতে উৎপাদন কৰি বিনিময় কৰা বিভিন্ন দ্ৰব্য আৰু সামগ্ৰীৰ বিনিময় হাৰ আৰু উপাদানৰ দৰ, শ্ৰমিকৰ মাধ্যমত প্ৰকাশ কৰা হয়। গতিকে শ্ৰমিক হ'ল আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ এক অপৰিহাৰ্য উপাদান। শ্ৰমিকৰ শ্ৰমৰ বাবে কোনো সামগ্ৰী বা বস্তুৰ বিনিময় হাৰ নিৰ্ধাৰণ কৰোঁতে চাৰিটা প্ৰধান অভিধাৰণা থাকে। এই অভিধাৰণা চাৰিটা হ'ল—

১। শ্ৰমিক হ'ল একমাত্ৰ উৎপাদনৰ উপাদান।

Only Labour is the factor of Production.

২। সকলো শ্ৰমিক সমগুণসম্পন্ন আৰু সমান উৎপাদনকাৰী।

All labour are equal in quality and production.

৩। দেশ এখনৰ ভিতৰত শ্ৰমিক পূৰ্ণভাৱে চলমান।

Labour is fully mobile within the country.

৪। শ্ৰমিকৰ মাজত মুক্ত প্ৰতিযোগিতা থাকে।

There is Perfect competition among the labour.

এই অভিধাৰণাবোৰৰ ওপৰত নিৰ্ভৰ কৰি সংস্থাপিত অৰ্থনীতিবিদ আডাম স্মিথ, মালথাছ, ৰিকাৰ্ডো প্ৰমুখ্যে লোকসকলে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ বিশ্লেষণ কৰিবলৈ যত্ন কৰিছিল। তেওঁলোকৰ মতে ব্যয়ৰ সমান, অতিৰিক্ত আৰু তুলনামূলক বা আনুপাতিক মূল্যৰ পাৰ্থক্যৰ বাবে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হয়। এখন দেশে এটা সামগ্ৰী ১০ টকাত উৎপাদন কৰে আৰু বিদেশৰ পৰা আমদানি কৰিলেও ১০ টকা পৰে, তেতিয়াও আন্তঃৰাষ্ট্ৰীয় বাণিজ্য হ'ব পাৰে যদিহে নিজৰ দেশত উৎপাদন কৰা সামগ্ৰীতকৈ আমদানিকৃত সামগ্ৰীটো উন্নত মানৰ হয়। ঠিক তেনেকৈ এটা বস্তু নিজৰ দেশত উৎপাদন কৰিলে যদি ২৫ টকা পৰে আৰু আমদানি কৰিলে ২৪ টকা পৰে, তেতিয়া ব্যয়ৰ পাৰ্থক্যৰ বাবে বস্তুটো আন্তঃৰাষ্ট্ৰীয় মাধ্যমত আমদানি কৰাতহে জোৰ দিয়া হ'ব। অৰ্থাৎ ব্যয়ৰ সমান, উদ্বৃত্ত আৰু তুলনামূলক পাৰ্থক্যৰ কাৰণে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হয়। সংস্থাপিত অৰ্থনীতিবিদসকলে মত পোষণ কৰিছিল যে উৎপাদনৰ উপাদান হিচাপে শ্ৰমিক গতিশীল বা চলমানশীল দেশখনৰ ভিতৰতহে হয়। আন্তঃৰাষ্ট্ৰীয়ভাৱে শ্ৰমিক চলমানশীল বা গতিশীল নহয়। সেই কাৰণে এখন দেশত শ্ৰমিকে উৎপাদন কৰিলে উৎপাদনী ব্যয়ৰ পাৰ্থক্য নহয়। আন্তঃৰাষ্ট্ৰীয়ভাৱে শ্ৰমিক গতিশীল হ'ব নোৱাৰাৰ ফলত, দুখন দেশৰ মাজত দুটা সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত ব্যয়ৰ পাৰ্থক্য আহি পৰে। এই উৎপাদনী ব্যয়ৰ পাৰ্থক্যৰ কাৰণে দুখন দেশৰ মাজত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য হ'ল এক মুক্ত বাণিজ্য আৰু ই পূৰ্ণভাৱে প্ৰতিযোগিতামূলক। অৱশ্যে একে শ্ৰমিকৰ বিতৰণ ব্যৱস্থা দুখন দেশত সমানভাৱে চলি থাকিলে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি নহয়। কাৰণ তেনে অৱস্থাত শ্ৰমিক চলমানহীন হোৱাটো আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ বুলি বিবেচিত নহ'ব। শ্ৰমিকৰ যোগানৰ পাৰ্থক্যৰ বাবে যদি দুখন দেশৰ মাজত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হয় তেতিয়া প্ৰত্যেক ৰাষ্ট্ৰই এটা দ্ৰব্য সামগ্ৰী আন এখন দেশৰ তুলনাত কম ব্যয়ত উৎপাদন কৰিব লাগিব। এটা উদাহৰণৰ সহায়ত এই কথা স্পষ্ট কৰিব পৰা যায়। ধৰা হ'ল, দুখন দেশ A আৰু B। A দেশখনে p নামৰ দ্ৰব্যটো যদি প্ৰতি গোটত ১০ জনৰ শ্ৰমিকৰ দ্বাৰা আৰু q নামৰ

ষষ্ঠ অধ্যায়

# আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তত্ত্ব আৰু মুক্ত বাণিজ্য বনাম সংৰক্ষণ

## (Theories of International trade and free trade vs protection)

**৬.১ : আৰম্ভণি (Introduction) :** বাণিজ্য বুলিলে সাধাৰণতে সামগ্ৰী বিনিময় কাৰ্য বা লেনদেন কাৰ্যক বুজা যায়। বাণিজ্য হ'ল দুটা দল বা লোকৰ মাজত হোৱা এক লেনদেন। দুটা দলৰ মাজত ক্ৰয় আৰু বিক্ৰয় হোৱা এটা অৱস্থা। ব্যক্তিৰ মাজত যেনেদৰে সামগ্ৰী কিনা-বেচা কৰা হয়, ঠিক দুখন দেশৰ মাজতো উৎপাদিত সামগ্ৰী আৰু উপাদানৰ লেনদেন বা ক্ৰয়-বিক্ৰয় হয়। এই বাণিজ্য দুটা পৰ্যায়ত হ'ব পাৰে। এটা হ'ল আভ্যন্তৰীণ বাণিজ্য (Internal Trade) আৰু আনটো বহিঃবাণিজ্য বা আন্তৰ্জাতিক বাণিজ্য বা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য (International Trade)। এখন দেশৰ অভ্যন্তৰত বা ভৌগোলিক চাৰিসীমাৰ ভিতৰত যি ক্ৰয়-বিক্ৰয় কাৰ্য চলে, তাকে আভ্যন্তৰীণ বাণিজ্য বুলি কোৱা হয়। এই লেনদেন বা ক্ৰয়-বিক্ৰয় যেতিয়া দুখন দেশৰ মাজত সম্পাদিত হয়, তেতিয়া তেনে লেনদেনক বহিঃবাণিজ্য বা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য (External Trade or International Trade) বুলি কোৱা হয়। উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ মাজত চলা বাণিজ্যক অন্তৰ্দেশীয় বা আভ্যন্তৰীণ বাণিজ্য বুলি কোৱা হয়। যেনে— অসম আৰু পশ্চিমবংগৰ মাজত চলা বেপাৰ-বাণিজ্য, ভাৰতবৰ্ষই যদি পৃথিৱীৰ আন দেশ, যেনে— জাপান, চীন, আমেৰিকা আদি দেশৰ লগত বেপাৰ-বাণিজ্য কৰে, তেতিয়া তেনে বেপাৰ-বাণিজ্যক আন্তৰ্জাতিক বা আন্তঃৰাষ্ট্ৰীয় (International Trade) বাণিজ্য বুলি কোৱা হয়।

**৬.২ : আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্ব (Theories of International Trade) :** আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তাত্ত্বিক বিশ্লেষণ সংশ্লিষ্ট অৰ্থনীতিবিদসকলৰ দিনৰ পৰাই চলি আহিছে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্ব বিশ্লেষণ আৰু এক সম্যক জ্ঞান তলত দিয়া তাত্ত্বিক বিশ্লেষণসমূহৰ পৰা কিছু পৰিমাণে লাভ কৰিব পৰা যায়। সেইবোৰ হ'ল—

১। **আপেক্ষিক ব্যয় তত্ত্ব (Theory of Comparative Cost) :** আপেক্ষিক ব্যয় তত্ত্বৰ মূল উদ্ভাৱক আছিল সংশ্লিষ্ট অৰ্থনীতিবিদ আডাম স্মিথ। আডাম স্মিথে পূৰ্ণ ব্যয়ৰ আহিত (Absolute Cost Advantage Model) ইয়াক প্ৰতিষ্ঠা কৰিছিল। এই তত্ত্বটোক পুনৰ ব্যাখ্যা আৰু সংযোজন কৰি সংশ্লিষ্ট অৰ্থনীতিবিদ David Ricardo য়ে ১৮১৭ চনত তুলনামূলক ব্যয়ৰ পাৰ্থক্যৰ ভিত্তিত নতুনকৈ সজাই-পৰাই লয়। ৰিকাৰ্ডোৰ এই ব্যাখ্যাত দ্ৰব্যৰ যোগান তথা উৎপাদনী ব্যয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। ৰিকাৰ্ডোৰ মতে যেতিয়া এখন দেশত মুক্ত বাণিজ্য চলি থাকে তেতিয়া দেশ এখনে সেইবোৰ দ্ৰব্য বিদেশৰ পৰা আমদানি কৰিব, যিবোৰৰ উৎপাদন মূল্য নিজ দেশত কম হ'ব, তুলনামূলক সুবিধা বেছি হ'ব আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ জৰিয়তে কেনেদৰে লাভ অৰ্জন কৰিব পাৰে, তাকে তত্ত্বটোৱে বিশ্লেষণ কৰিবলৈ লৈছে। আনহাতে তুলনামূলক ব্যয়ৰ সুবিধাৰ ভিত্তিত হোৱা ভৌগোলিক শ্ৰম বিভাজনে এক নিৰ্দিষ্ট পৰিমাণৰ উৎপাদনশীল সম্পদৰ পৰা সমুদায় পৃথিৱীত উৎপাদন সৰ্বাধিক কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত জড়িত দেশসমূহক বাণিজ্যিক সুফল প্ৰদান কৰে।



বিভিন্ন দেশত উৎপাদনৰ উপাদানৰ আপেক্ষিক দুষ্প্ৰাপ্যতাই দেশসমূহক বিশেষ বস্তু কম দামত উৎপাদন কৰাৰ পাৰে, তেনে বস্তু উৎপাদন কৰাৰ বাবে বিশেষজ্ঞশীলতা অৰ্জন কৰিব পাৰে। অৰ্থাৎ শিল্পৰ স্থানীয়কৰণ আপেক্ষিক নব তত্ত্বৰ ওপৰত নিৰ্ভৰশীল হয়। দেখা গ'ল যে যিবোৰ সামগ্ৰী উৎপাদনৰ বাবে এখন দেশক ব্যয়ৰ পৰিমাণ কম হ'লেও হয় বা কম অসুবিধা হয়, তেনে ধৰণৰ বস্তু বিদেশলৈ ৰপ্তানি কৰিলে দেশখন লাভৱান হয়। যিবোৰ বস্তু উৎপাদন কৰোঁতে সংশ্লিষ্ট দেশ এখন অসুবিধাৰ সন্মুখীন হয় বা ব্যয়ৰ পৰিমাণ বৃদ্ধি হয়, তেনেবোৰ দ্ৰব্য সামগ্ৰী বিদেশৰ পৰা আমদানি কৰা উচিত। তেতিয়া ৰিকাৰ্ডোৰ মতে দেশ এখনে এনে বস্তু উৎপাদন আৰু ৰপ্তানি কৰিব লাগে যিবোৰ উৎপাদন কৰোঁতে আপেক্ষিক সুবিধাৰ পৰিমাণ বেছি হ'ব পাৰে। আপেক্ষিক সুবিধাৰ পৰিমাণ বেছি নাথাকিলে তেনে বস্তু উৎপাদন নকৰি আমদানি কৰা উচিত।

এটা উদাহৰণৰ সহায়ত আপেক্ষিক ব্যয় তত্ত্বটো দেখুৱাব পৰা যায়। ধৰা হ'ল দুখন দেশে আন্তৰ্জাতিক বাণিজ্যত লিপ্ত হৈছে। এই দেশ দুখন হ'ল ভাৰতবৰ্ষ আৰু ইংলেণ্ড। দেশ দুখনে A আৰু B দুটা বস্তু উৎপাদন কৰে। যদি A সামগ্ৰীৰ ভাৰতত এটা গোট উৎপাদন হয়, ৮০ ঘণ্টা শ্ৰমৰ দৰকাৰ হয়। B বস্তুৰ গোট উৎপাদনত ৯০ ঘণ্টা দৰকাৰ হয়। আকৌ ইংলেণ্ডত এটা A গোটৰ উৎপাদনত ১২০ ঘণ্টা শ্ৰম আৰু B বস্তুৰ এটা গোট উৎপাদনত ১০০ ঘণ্টা শ্ৰমৰ দৰকাৰ হয়। এতিয়া দেশ দুখনৰ উৎপাদন খৰচ তুলনা কৰিলে, আন্তৰ্জাতিক বাণিজ্যৰ অৱস্থাটো হ'ল—

(শ্ৰম তুলনামূলক ব্যয়)

| দেশ | উৎপাদনৰ শ্ৰম ব্যয় | | প্ৰতি দেশৰ বিনিময় হাৰ |
|---|---|---|---|
| | A দ্ৰব্য | A দ্ৰব্য | |
| ভাৰত | ৮০ | ৯০ | ৮০ : ৯০ অৰ্থাৎ এটা গোট A = ০.৮৯ গোট B |
| ইংলেণ্ড | ১২০ | ১০০ | ১২০ : ১০০ অৰ্থাৎ এটা গোট A = ১.২ গোট B |
| তুলনামূলক ব্যয়ৰ হাৰ | ৮০/১২০ = ০.৬৭ | ৯০/১০০ = ০.৯০ | |

এতিয়া দেখা গ'ল যে ভাৰতবৰ্ষৰ দুয়োবিধ সামগ্ৰী কম ব্যয়ত উৎপাদন কৰিব পৰা যায়। কিন্তু ইংলেণ্ডতকৈ ভাৰতবৰ্ষত B ৰ তুলনাত A উৎপাদনৰ তুলনামূলক সুবিধা কম বেছি। কাৰণ, A ৰ উৎপাদন ব্যয়ৰ পাৰ্থক্য B তকৈ বেছি। অৰ্থাৎ $\left(\frac{৮০}{১০০} < \frac{৯০}{১০০}\right)$ গতিকে ভাৰতবৰ্ষই B সামগ্ৰী উৎপাদন নকৰি A সামগ্ৰী উৎপাদনত বিশেষীকৃত হ'লে লাভ কৰিব। আনহাতে ইংলেণ্ডে B সামগ্ৰী উৎপাদনত দক্ষ হ'ব।

**৬.৩ : আপেক্ষিক বা তুলনামূলক ব্যয় তত্ত্বৰ স্বীকাৰ্যসমূহ (Assumptions of Comparative Cost Theory) :** তুলনামূলক ব্যয় তত্ত্বৰ স্বীকাৰ্যসমূহ হ'ল—

১। তত্ত্বটো দুখন দেশ, দুটা বস্তুৰ মাজত সীমিত হৈ থাকে বুলি ধৰা হৈছে।